**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। জনসাধাৰণৰ মাজত গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ **কিতাপ পঢ়া বৰ্ষ** পদক্ষেপৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰ্যালোচনা।

২। ৰাজ্যখনৰ সকলো বেংকৰ একাউণ্টসমূহ অহা ছেপ্তেম্বৰৰ পূৰ্বে ডিজিটাইজেচন কৰিবলৈ অসম চৰকাৰৰ নিৰ্দেশ।

৩। অহা সোমবাৰৰ পৰা সংসদৰ বৰ্ষাকালীন অধিৱেশন।

৪। মেলেৰীয়া আৰু জাপানীজ এনকেফেলাইটিছ ৰোগৰ সংক্ৰমণ ৰোধৰ বাবে স্বাস্থ্য বিভাগৰ ব্যাপক সজাগতা কাৰ্যসূচী। **আৰু**

৫। ছাওথাম্পটনৰ ৰ'জ বাউলত অনুষ্ঠিত মহিলাৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ চাৰি উইকেটত জয়লাভ।

০০০০০০

ৰাজ্যৰ জনসাধাৰণৰ মাজত গ্ৰন্থ অধ্যয়নৰ অভ্যাস শক্তিশালী কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি **কিতাপ পঢ়া বৰ্ষ** পদক্ষেপৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। দিছপুৰৰ লোকসেৱা ভৱনত  শিক্ষা, বিত্ত আৰু অসম প্ৰকাশন পৰিষদৰ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বুজ লয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে চলিত বৰ্ষক **কিতাপ পঢ়া বৰ্ষ** হিচাপে উদ্‌যাপন কৰিছে আৰু ইয়াৰ অধীনত গ্ৰন্থমেলাৰ আয়োজন আৰু চৰকাৰী কৰ্মচাৰীক গ্ৰন্থ ক্ৰয় কৰিবলৈ উৎসাহিত কৰাৰ বাবে এহেজাৰগৰাকী যুৱ লেখকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে বিশেষকৈ যুৱচামৰ মাজত কিতাপ পঢ়াৰ সংস্কৃতি গঢ়ি তোলাৰ চেষ্টা কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে কালি লোকসেৱা ভৱনত গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ আন এখন বৈঠকত মিলিত হয়। বৈঠকত গুৱাহাটী মহানগৰীৰ আন্তঃগাথনি বিকাশ তথা সৌন্দৰ্যবৰ্ধনৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

অসম চৰকাৰে ৰাজ্যখনৰ সকলো বেংকৰ একাউণ্টসমূহ অহা ছেপ্তেম্বৰৰ পূৰ্বে ডিজিটাইজেচন কৰিবলৈ নিৰ্দেশ দিছে। ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই ৰাজ্যিক পৰ্যায়ৰ বেংক বিষয়াৰ সমিতিৰ এখন পৰ্যালোচনা বৈঠকত অংশ লৈ বেংকসমূহক এই নিৰ্দেশ দিয়ে। তেওঁ লগতে এই সময়ছোৱাৰ ভিতৰত বেংকসমূহক কে ৱাই চি আপডেট কৰা, চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ অধীনত  পঞ্জীয়ন কৰাকে ধৰি সুবিধাসমূহৰ দ্বাৰা জনসাধাৰণক সামৰি ল'বলৈ নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ ৰূপায়ণৰ মাধ্যম হিচাপে বেংকসমূহক বিত্তীয় অন্তৰ্ভুক্তি শক্তিশালী কৰি তুলিবলৈও মুখ্য সচিবগৰাকীয়ে নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে

ৰাজ্যৰ বেংকসমূহৰ ঋণ-জমাৰ অনুপাত চলিত বছৰৰ মাৰ্চলৈ ৭১ শতাংশৰো অধিক হৈছে। ২০২৩ বৰ্ষত এই অনুপাত ৫৩ দশমিক ৮-৮ শতাংশ আৰু ২০২৪ বৰ্ষত ৬১ শতাংশ আছিল।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অহা ১৮ৰ পৰা ২৫ জুলাইলৈ দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ১৮ৰ পৰা ২২ জুলাইলৈ তেওঁ ইশ্বাতিনী আৰু লেচ'থ' দেশ দুখন ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত তেওঁ ইশ্বাতিনীৰ ৰজা মাশ্বাতি তিনি আৰু দেশখনৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰিব। তেওঁ লগতে ইশ্বাতিনীৰ বিদেশমন্ত্ৰীৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়ত বৈঠকত মিলিত হোৱাৰ লগতে দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। এই ভ্ৰমণকালত বাণিজ্য আৰু বিনিয়োগ, সক্ষমতা বিকাশ, উন্নয়ন সহযোগিতা, দক্ষতা নিৰ্মাণ, অংশীদাৰিত্বৰ বিকাশ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ দিশত গুৰুত্ব আৰোপ কৰা হ'ব। শ্ৰীমাৰ্ঘেৰিটাই ইশ্বাতিনীত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু ইশ্বাতিনীৰ মাজৰ দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ পাছত তেওঁ লেছ'থ'ত ৰজা লেটছি টিনি আৰু প্ৰধানমন্ত্ৰী ছেমুৰেল মাটেকানেক সাক্ষাৎ কৰিব। তেওঁ লগতে দেশখনৰ বৈদেশিক পৰিক্ৰমা আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক মন্ত্ৰীগৰাকীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত শ্ৰীমাৰ্ঘেৰিটাই অহা ২৪ আৰু ২৫ জুলাইত দক্ষিণ আফ্ৰিকাৰ স্কুকুজাত হ'বলগীয়া জি-২০ উন্নয়ন মন্ত্ৰী পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণৰ বাবে যোৱা এটা প্ৰতিনিধি দলক নেতৃত্ব দিব।

০০০০০০

সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা সোমবাৰে আৰম্ভ হ'ব। ২১ আগষ্টলৈ চলিবলগীয়া এই অধিৱেশনত ৮ খন নতুন বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ভৌগোলিক দিশৰ পৰা ঐতিহ্যপূৰ্ণ ক্ষেত্ৰসমূহ সংৰক্ষণৰ বাবে এখন বিধেয়ক উত্থাপন কৰা হ'ব। তদুপৰি আয়কৰ বিধেয়ক ২০২৫, খনি আৰু খনিজ পদাৰ্থ উন্নয়ন আৰু নিয়ামক সংশোধনী বিধেয়কো এই অধিৱেশনত উত্থাপন কৰা হ'ব। এই অধিৱেশনত অপাৰেচন সিন্দূৰ আৰু নিৰ্বাচন আয়োগৰ বিশেষ সংহত ভোটাৰ তালিকা সংশোধনী সন্দৰ্ভত বিৰোধী পক্ষই শাসনাধিস্থ দলক প্ৰশ্ন কৰাৰ সম্ভাৱনা আছে। অধিৱেশনৰ পূৰ্বে চৰকাৰে অহা দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান জনাইছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ বাবে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰিব। এই অধিৱেশনতে চৰকাৰে মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে সদনত অনুমতি বিচাৰিব।

০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত মেলেৰীয়া আৰু জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে ব্যাপক সজাগতামূলক কাৰ্যসূচী লৈছে। উজনি অসমৰ গোলাঘাট, ধেমাজি আৰু শোণিতপুৰৰ লগতে নামনি অসমৰ চিৰাং, নলবাৰী, দৰঙকে ধৰি কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগত বহুলোক আক্ৰান্ত হৈছে। একেদৰে পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাতো কেইবাগৰাকীও লোক এই ৰোগত আক্ৰান্ত হৈছে। ৰাজ্যত এতিয়ালৈ কমেও ২৫০ লোক এই ৰোগত আক্ৰান্ত হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে। এই ৰোগৰ ফলত ২৬ জন লোকৰ মৃত্যু হৈছে।

চিৰাং জিলাত জাপানীজ এনকেফেলাইটিছ আৰু মেলেৰীয়া ৰোগত চলিত বছৰত কালি পৰ্যন্ত ৪১১ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৪০৫ জন মেলেৰীয়াত আৰু ছজন লোক এনকেফেলাইটিছ ৰোগত আক্ৰান্ত

হৈছে। স্বাস্থ্য বিভাগে জিলাখনত ঔষধযুক্ত আঁঠুৰা বিতৰণৰ লগতে প্ৰতিষেধক স্প্ৰে কৰা, ধোঁৱা দিয়া আৰু সজাগতা কাৰ্যসূচী অব্যাহত ৰাখিছে। জিলাখনত এই ৰোগ সন্দৰ্ভত জিলাখনৰ ভাৰপ্ৰাপ্ত মেলেৰীয়া বিষয়া ডা০ দীগেন্দ্ৰ ৰামছিয়াৰিয়ে এইদৰে কয়-----     **বাইট (দীগেন্দ্ৰ ৰামছিয়াৰি)**

কাৰ্বি আংলঙত এই ৰোগত আক্ৰান্ত হৈ দুগৰাকী ৰোগীয়ে প্ৰাণ হেৰুৱায়। বৰ্তমান ডিফু চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ ৯ টি শিশু চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জিলা স্বাস্থ্য বিভাগে আহ্বান জনাইছে। হোজাই জিলাত ৩ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। আটাইকেইজন গুৱাহাটীত চিকিৎসাধীন হৈ আছে আৰু সুস্থ হৈ উঠিছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনৰ স্বাস্থ্য বিভাগে এই ৰোগৰ উপৰি মেলেৰীয়া ৰোগৰ প্ৰাদূৰ্ভাৱ ৰোধ কৰিবলৈ ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

ঝাৰখণ্ডৰ বোকাৰো জিলাত সুৰক্ষা বাহিনী আৰু নক্সালবাদীৰ মাজত হোৱা সংঘৰ্ষত নিহত কোকৰাঝাৰৰ জোৱান প্ৰাণেশ্বৰ কোচৰ বাসগৃহত কালি জিলাখনৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে শোক সন্তপ্ত পৰিয়ালক সমবেদনা জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ নীতি অনুসৰি পৰিয়ালটোক ৫০ লাখ টকাৰ সাহায্য আগবঢ়োৱা হ'ব বুলি প্ৰকাশ কৰে। তদুপৰি ৰাজ্য চৰকাৰৰ তৃতীয় নাইবা চতুৰ্থ বৰ্গৰ পদত পৰিয়ালটোৰ এগৰাকী সদস্যক নিযুক্তি দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি হোৱা এই সংঘৰ্ষত অসমৰ জোৱানগৰাকী ছহিদ হোৱাৰ উপৰি দুজন নক্সালবাদী নিহত হয়।  ছহিদ জোৱান প্ৰাণেশ্বৰ কোচ চি আৰ পি এফৰ ২০২ নম্বৰ কোব্ৰা ৰেজিমেণ্টত কৰ্মৰত আছিল। সংঘৰ্ষত সুৰক্ষা বাহিনীয়ে উপ-মাণ্ডলিক নক্সাল কমাণ্ডাৰ কুঁৱৰ মাঝি ওৰফে ছাহদেউ মাঝি ওৰফে ছাদেক গুলীয়াই নিধন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ সংঘৰ্ষত নিহত কোকৰাঝাৰৰ ছহিদগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে। তেওঁ লগতে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ছহিদগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০০

অসম, নাগালেণ্ড আৰু মণিপুৰৰ সীমান্তৱৰ্তী ডিমা হাচাও জিলাৰ মাহুৰ থানাৰ অন্তৰ্গত হাংগ্ৰুমত কালি ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণথলীত হোৱা ভূমিস্খলনত এজন লোক নিহত আৰু ৯ জন লোক আহত হয়। নিহত লোক দুজন গোৱাজেন গাম্বে নৃয়ান আৰু ফেৰন টিগা  বুলি চিনাক্ত কৰা হৈছে। মঙলবাৰে নিশা হোৱা প্ৰৱল বৰষুণৰ ফলত সংঘটিত এই ভূমিস্খলনত পথৰ নিৰ্মাণকাৰ্যত জড়িত এই শ্ৰমিককেইজন হতাহত হয়। গুৰুতৰভাৱে আহত দুজন শ্ৰমিকক হাফলং অসামৰিক চিকিৎসালয়লৈ পঠিওৱা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলাখনৰ আয়ুক্ত আয়ুষ গাৰ্গৰ অধ্যক্ষতাত যোৱা মাহৰ অপৰাধ সন্মিলনখন অনুষ্ঠিত হয়। সন্মিলনত বিগত সময়ছোৱাত জিলাখনত হোৱা অপৰাধমূলক ঘটনা, অপৰাধৰ ধৰণ, পটভূমি, কাৰক আদি সন্দৰ্ভত বিশ্লেষণাত্মকভাৱে আলোচনা কৰা হয়। তদুপৰি ভৱিষ্যতে জিলাখনক অপৰাধ শূন্য জিলা হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰিবলগীয়া সম্ভাব্য প্ৰতিকাৰমূলক ব্যৱস্থাৱলী তথা ভৱিষ্যৎ কাৰ্যপন্থা সন্দৰ্ভতো বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্ত আৰু শিৱসাগৰৰ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাই এই সন্দৰ্ভত সংশ্লিষ্ট সকলো বিভাগৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে

লগতে জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাক সুনিশ্চিত কৰাৰ বাবে সকলো বিভাগকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০০

যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বাহনত কালি নিশা অচিনাক্ত দুৰ্বৃত্তই আক্ৰমণ কৰে। আক্ৰমণত বাহনখনৰ ক্ষতি হয় যদিও বিধায়কগৰাকী কথমপি ৰক্ষা পৰে। যোৰহাটৰ পৰা গুৱাহাটীলৈ আহি থকা অৱস্থাত বোকাখাটৰ কুৰুৱাবাহী তিনিআলিত এই ঘটনা সংঘটিত হয়। ইতিমধ্যে বোকাখাট আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ দোষীক কৰায়ত্ব কৰাৰ বাবে তদন্ত আৰম্ভ কৰিছে।

০০০০০০

নগাওঁ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ সভাকক্ষত জিলা পৰ্যায়ৰ জল আৰু অনাময় অভিযানৰ দ্বিতীয়খন সভা অনুষ্ঠিত হয়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাই জিলাখনত বৰ্তমান ৰূপায়ণ হৈ থকা স্বচ্ছ ভাৰত অভিযান আৰু জল জীৱন মিছনৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। সভাত জিলাখনৰ  বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰসমূহত পানী যোগান সন্দৰ্ভতো আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ প্ৰতিগৰাকী নাগৰিকে যাতে এই আঁচনিসমূহৰ সুবিধা সঠিকভাৱে লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০

হোজাই জিলাৰ লংকা তিনিআলিত কালি আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন সৰবৰাহকাৰীক আটক কৰে। জিলাখনৰ উদালি আৰক্ষীয়ে লামডিং-লংকা সংযোগী পথত নিয়মীয়া তালাচীৰ সময়ত ১৭ টা চাবোনৰ বাকচত ভৰাই মাদক দ্ৰব্যসমূহ জব্দ কৰে। আটক কৰা সৰবৰাহকাৰীজনে শিলচৰৰ পৰা গুৱাহাটীলৈ মাদক দ্ৰব্যসমূহ কঢ়িয়াই আনিছিল বুলি আৰক্ষীৰ আগত প্ৰকাশ কৰে। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত আছে।

০০০০০০

গোলাঘাট জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ মৰঙি কৃষি উন্নয়ন চক্ৰৰ ফলঙনিত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৫-২৬ৰ অধীনত সামুহিক কঠীয়াতলী প্ৰস্তুত কৰাৰ বাবে কঠীয়া সিঁচা কাৰ্যসূচী সম্পন্ন হয়। অঞ্চলটোৰ কৃষি ক্ষেত্ৰৰ সৈতে জড়িত এটা কৃষক গোটৰ সহযোগত ৪০ বিঘা ভূমিত কঠীয়া সিঁচা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। কাৰ্যসূচী আৰম্ভ কৰি জিলা কৃষি বিষয়া ৰঞ্জন বৰুৱাই কয়, যে জিলাখনৰ ছটা ৰাজহ চক্ৰৰ কেইবা হেক্টৰ কৃষি ভূমি বানে নষ্ট কৰাৰ ফলত কৃষকসকল ক্ষতিগ্ৰস্ত হৈছে। ক্ষতিগ্ৰস্ত কৃষকসকলক সহায়ৰ বাবে এই ব্যৱস্থা লোৱা হৈছে বুলি বিষয়াগৰাকীয়ে উল্লেখ কৰে।

যোৰহাট জিলাতো কালি মাধপুৰ কৃষি চক্ৰৰ লহং বেবেজীয়া গাঁৱৰ কৃষিভূমিত আনুষ্ঠানিকভাৱে কঠীয়া সিঁচা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচী কৃষি মহকুমা বিষয়া মাধপুৰ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াৰ উপৰি স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০০০০

আৰোহণ প্ৰকল্পৰ অধীনত তিনিচুকীয়া জিলাত কালি কিশোৰ-কিশোৰীৰ বাবে প্ৰথমটো নিচামুক্তি কেন্দ্ৰ মুকলি কৰা হয়। তিনিচুকীয়া নগৰৰ বৰদলৈ নগৰৰ ভৱেন গগৈ পথত কেন্দ্ৰটো স্থাপন কৰা হৈছে। ডিগবৈৰ ভাৰতীয় তেল নিগম লিমিটেডৰ সৌজন্যত আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত স্থাপন কৰা

কেন্দ্ৰটোত কালি অতিৰিক্ত জিলা আয়ুক্ত ড° মন্দিৰা বৰুৱাই মুকলি কৰে। এই কেন্দ্ৰটোত ১০ৰ পৰা ১৮ বছৰৰ ২৫ জনকৈ কিশোৰক ৰখাৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত ছাওথাম্পটনৰ ৰ'জ বাউলত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত কালি নিশা ভাৰতে ঘৰুৱা দলটোক চাৰি উইকেটত পৰাস্ত কৰে। খেলখনত ইংলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ৫০ অ'ভাৰত ছটা উইকেট হেৰুৱাই ২৫৮ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ ছফিয়া ডাংকলেই ৯২টা বলত ৮৩ ৰান কৰে। ভাৰতৰ হৈ ক্ৰান্তি গৌৰ আৰু স্নেহ ৰানাই দুটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিৰ্ধাৰিত অ'ভাৰ শেষ হ'বলৈ ১০ টা অ'ভাৰ বাকী থকা অৱস্থাতে বিজয় লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ ৬২ ৰান কৰি অপৰাজিত হৈ থকা দিপ্তী শৰ্মাক প্লেয়াৰ অব্ দা মেচ ঘোষণা কৰা হয়। জেমিমা ৰড্ৰিগ্‌জে ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়। এই জয়েৰে ভাৰতে শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে।

তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল অহা শনিবাৰে লণ্ডনৰ লৰ্ডচত আৰু তৃতীয় তথা অন্তিমখন খেল অহা ২২ জুলাইত চেষ্টাৰ-লী-ষ্ট্ৰীটত অনুষ্ঠিত হ'ব।

০০০০০০

স্মাৰ্ট চিটী গুৱাহাটীত অপৰাধজনিত ঘটনা নিতৌ বৃদ্ধি পাই অহাৰ পাছতো মহানগৰীখনত পৰ্যাপ্ত আৰু উন্নত প্ৰযুক্তিসম্পন্ন চি চি টি ভি কেমেৰা নথকাত বহু সময়ত অপৰাধী সাৰি যাবলৈ সমৰ্থ হৈছে। লেহেম গতিত আগবাঢ়িছে স্মাৰ্ট চিটী লিমিটেডৰ কাম। এই বাতৰি **দৈনিক অসম** কাকতৰ।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে কালি ছয়গাঁৱৰ বনগাঁৱত অনুষ্ঠিত সভাৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ ৰণডংকা বজায়। এই বাতৰি **আমাৰ অসম**ৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

পুনৰ মধ্যপ্ৰাচ্যত যুদ্ধৰ দামামা বাজিছে। ইৰানৰে সৈতে যুদ্ধ অন্ত পৰাৰ পাছত কিছুদিন নিষ্ক্ৰিয় হৈ থকা ইজৰাইলে ছিৰিয়া আক্ৰমণ কৰি পুনৰ ৰক্তক্ষয়ী অস্থিৰতালৈ মধ্যপ্ৰাচ্যক লৈ গৈছে। বাতৰিটো **দৈনিক অগ্ৰদূত**ৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

ৰাজ্যত বিজেপি বিৰোধী মিত্ৰজোঁট এতিয়াও সাঁথৰ হৈ আছে। বিজেপিক প্ৰতিহত কৰিবলৈ বিৰোধী দল-সংগঠনসমূহ তৎপৰ হৈ পৰিছে যদিও বিৰোধী ঐক্য সন্দৰ্ভত এতিয়াও স্পষ্টকৈ একো প্ৰকাশ কৰা নাই। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ডিমা হাচাওৰ মাহুৰত সংঘটিত ভূমিস্খলনৰ বিষয়ে অন্যান্য কাকতৰ লগতে **দি আছাম ট্ৰিবিউন** কাকতেও বাতৰি প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে ন্যায়াধীশ সূৰ্যকান্ত আৰু ন্যায়াধীশ জয়মালা বাগ্‌চিক লৈ গঠিত উচ্চতম ন্যায়ালয়ৰ এখন বিচাৰপীঠৰ ৰায় সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে। বাতৰিটোৰ মতে এই বিচাৰপীঠে ৰাজনৈতিক দলসমূহে নিৰ্বাচনত জাতি আৰু আঞ্চলিকতাবাদৰ নামত ভোট বিচৰা কাৰ্য ৰাষ্ট্ৰীয় একতাৰ বাবে বিপদজনক বুলি মন্তব্য কৰিছে।

নাটোৰ সচিব প্ৰধান মাৰ্কৰুটে ৰাছিয়া ইউক্ৰেইন যুদ্ধৰ অৱসান ঘটাবলৈ ভাৰত, **অসমীয়া প্ৰতিদিন**

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত